# কৃষিপামৰ আকাৰ অনুযায়ী সঠিক জোখৰ সঁজুলি বাচনি

www.rkbassam.in

Rice Fact Sheet

কৃষিভিত্তিক ব্যৱসায়ৰ পৰা অধিক উৎপাদন আৰু লাভ অৰ্জন কৰিবৰ বাবে সঠিক সঁজুলি ব্যৱহাৰ কৰাটো অত্যন্ত জৰুৰী।‌ কৃষিভিত্তিক ব্যৱসায়ৰ বাবে সঁজুলিৰ উপযুক্ততা নিৰ্ধাৰণ কৰিবলৈ নিম্নোক্ত কথাখিনি জনাটো প্ৰয়োজন।

- কৃষিকৰ্মৰ বিভিন্ন কাৰ্যবোৰৰ ভিতৰৰ অতি প্ৰয়োজনীয় কাৰ্য চিনাক্ত কৰা।
- প্ৰত্যেকটো সঁজুলিৰ কাৰ্যদক্ষতা জানি লোৱা।
- কাৰ্য সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় সময়ৰ জ্ঞান থকা।



**নিৰূপণ প্ৰক্ৰিয়া ঃ**

**মুখ্য কাৰ্য নিৰূপণ ঃ** কৃষি পামৰ শস্যক্ৰম অনুযায়ী যথেষ্ট সংখ্যক মুখ্য কাৰ্য সম্পাদন কৰিব লাগে। মাটি প্ৰস্তুতকৰণ আৰু শস্য চপোৱাই হ'ল ধানখেতি কৰা পথাৰৰ মুখ্য কাৰ্য।

**এলেকা নিৰ্ধাৰণঃ** পথাৰৰ যিটো এলেকাত কাৰ্য সম্পাদন কৰা হ'ব তাৰ বাবে প্ৰয়োজন হোৱা সময় বিচাৰ কৰি আৰু মেচিনৰ কাৰ্যদক্ষতা জনাৰ পিছত সঁজুলিৰ আকাৰ নিৰূপণ কৰা হয়।

**কাৰ্য্যদক্ষতাঃ** যেতিয়া এটা কৃষি কাৰ্য সম্পাদন কৰা হয় তাৰ সম্পূৰ্ণ সময়খিনি উৎপাদনশীল কামত ব্যৱহাৰ নহবও পাৰে। উদাহৰণস্বৰূপে মাটি চহোৱা সময়ত পথাৰৰ আকৃতিৰ বিষয়ে ধাৰণা কৰা, মাটিৰ গুণাগুণ চোৱা, সঁজুলি সাল-সলনি কৰা আৰু চালকে বিভিন্ন কাৰণতৰৰ লগা হোৱা সময় বিয়োগ কৰি মুঠ সময়ৰ ৫০-৭৫ শতাংশ সময়হে ফলদায়ক হিচাপে বিবেচিত হয়।

**গতিবেগঃ** কাৰ্য সম্পাদনৰ গতিবেগ নিৰ্ভৰ কৰে শক্তিৰ উৎস, সঁজুলিৰ প্ৰকাৰ, মাটিৰ প্ৰকাৰ আৰু আৰ্দ্ৰতাৰ ওপৰত। এখন ৪ হুইল ট্ৰেক্টৰ প্ৰতি ঘণ্টাত ৫-৮ কিঃ মিঃ গতিবেগত দক্ষতাৰে চলাব পাৰে। আনহাতে, এখন ২ হুইল ট্ৰেক্টৰৰ গতিবেগ হ'ব প্ৰতি ঘণ্টাত ৩-৫ কি ঃমিঃ। পশুধনৰ দ্বাৰা মাটি চহোৱা সময়ত গতিবেগ নিৰূপিত হয় পশুধনৰ আৰু কৃষকৰ দক্ষতাৰ ওপৰত। এইক্ষেত্ৰত সাধাৰণতে গতিবেগ হয় প্ৰতি ঘণ্টাত ১-৩ কিঃ মিঃ।

**সঁজুলিৰ জোখ ঃ** যন্ত্ৰ এটিৰ গতিবেগ জানি লৈ সঁজুলিৰ জোখ নিৰ্ধাৰণ কৰিব পাৰি।

**ট্ৰেক্টৰৰ প্ৰয়োজনীয় শক্তি নিৰ্ধাৰণঃ** প্ৰতিবিধ সঁজুলিৰ প্ৰকাৰ আৰু মাটিৰ অৱস্থাৰ ভিত্তিত প্ৰয়োজনীয় মুঠ শক্তিৰ হিচাব কৰিব পাৰি। ইয়াৰ বাবে মাটি আৰু সঁজুলিৰ কিছু সম্বন্ধ বুজা দৰকাৰ। প্ৰায়বিলাক প্ৰাথমিক মাটি চহোৱা সঁজুলিৰ ক্ষেত্ৰত প্ৰতি ১ মিটাৰ বহলকৈ চহৰৰ বাবে ৪০০-৬০০ কি. গ্ৰা./মিটাৰ শক্তিৰ প্ৰয়োজন। দ্বিতীয়বাৰ চহাবৰ বাবে ইয়াতকৈ ৭৫ শতাংশ অধিক শক্তিৰ প্ৰয়োজন।

**শক্তিৰ প্ৰয়োজনীয়তাঃ** শক্তিৰ প্ৰয়োজনীয়তা নিৰ্ধাৰণ কৰা হয় সঁজুলিৰ জোখ, সঁজুলি টানিবৰ বাবে লগা শক্তি, গতিবেগ আৰু ট্ৰেক্টৰৰ ইঞ্জিনৰ কাৰ্যদক্ষতাৰ দ্বাৰা। ইঞ্জিনৰ শক্তি নিৰ্ধাৰণ কৰিবলৈ তলৰ সমীকৰণটো ব্যৱহাৰ কৰিব পাৰি ।

ইঞ্জিনৰ শক্তি ঃ মুঠ শক্তি x গতিবেগ x ট্ৰেক্টৰৰ কাৰ্যদক্ষতা/৩.৬

ট্ৰেক্টৰ বাচনিৰ ক্ষেত্ৰত অন্য কেইটামান কাৰকৰ বিষয়ে জানিব লাগে যেনে, কিমান গিয়েৰ আছে,সঁজুলি টানিব পৰা ক্ষমতা কিমান, স্পেয়াৰ পাৰ্টছৰ সহজলভ্যতা আদি । প্ৰাৰম্ভিক ক্ৰয় মূল্যতকৈও স্পেয়াৰ পাৰ্টছৰ সহজলভ্যতা আৰু মেৰামতিৰ সুবিধাৰ কথা বিবেচনা কৰিব লাগে।

Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-Share Alike 3.0 (Unported)*